# অসম আদিত্য

১ শাওণ, ১৯৪৫ শক ■ বৃহস্পতিবাৰ, ১৭ আগষ্ট, ২০২৩ ■ Asom Aditya, Dibrugarh, Thursday, August 17, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


ৱাসিক বিষয়া
। কেন্দ্ৰীয়
কৃতিক গেছ
মেশ্বৰ তেলী,
তৰছ গোৱালা
তিথি হিচাপে
ৰ অসম গেছ
ধীনতা দিৱসৰ
ত্তোলন কৰে
গকুলচন্দ্ৰ
ানত ৬৮ নং
যাগী কমাণ্ডেন্ট
াৰ্চপাষ্ট প্ৰদৰ্শন
লীয়াজান স্কুল
আৰ্ট চৰ ছাত্ৰ-
মূলক গীত
নাস্তুতি ডাঞ্চ
নি কৰে। গেছ
লগতে মানৱ
বিভাগৰ মুখ্য
, বিত্ত বিভাগৰ
মহন্ত, মানৱ
ন্ধক উৎপল
ী বিষয়া মুনীন্দ্ৰ
ন্য বিভাগীয়
ল অনুষ্ঠানত
হাতে, দুপৰীয়া
য়াজান মণ্ডলৰ
সমষ্টিৰ ৮ টাকৈ
কাৰ্যকৰ্তাসকলে
হিকেলেৰে এক
দিনৰ প্ৰায় ১০
মেশ্বৰ তেলীয়ে
করাৰ লগতে
ালাসহ ৰেলীত
াৰতীয় জনতা

স্বাধীনতা দিৱস দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ৯.৩০ বজাত জাতীয় পতাকা উত্তোলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক, প্ৰবীণ সাংবাদিক তথা লেখক ৰাজেন্দ্ৰনাথ সন্দিকৈয়ে পতাকা উত্তোলন কৰি দিয়া ভাষণত তেওঁ পৰাধীন ভাৰতৰ স্বাধীনতাৰ কথা উল্লেখ কৰে। বিশেষকৈ মহাত্মাগান্ধীৰ নেতৃত্বত চলা অসহযোগ আন্দোলনৰ ইতিহাস দাঙি ধৰে। প্ৰসংগক্ৰমে সেই সময়ত স্বাধীনতাৰ ৰণত শ্বহীদ হোৱা অসমৰ বীৰ-বীৰাংগনা সকলকো স্মৰণ কৰে। ইয়াৰ পিছতেই সাংবাদিক ৰাজেন্দ্ৰনাথ সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত কণ কণ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সাংস্কৃতিক অনুষ্ঠানত দেশ-প্ৰেমমূলক গীত-মাত, নৃত্য, কুইজ আদি পৰিৱেশন কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত চাহ কৰ্মচাৰী ৰোহিণী মৰান, শিক্ষক ব্ৰজেন গগৈ, আলিমুৰ চাহ বাগিচাৰ পৰিচালক তথা 'আৰ্ট'ৰ শিক্ষক নিতোপন বৰুৱা, যুৱ সাংবাদিকদ্বয়— তপন শইকীয়া আৰু দিবাকৰ দত্ত আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। তদুপৰি অনুষ্ঠানত বিদ্যালয়ৰ তত্বাৱধায়ক শিক্ষয়িত্ৰী শিখা দিহিঙীয়া, মালবিকা শৰ্মা আৰু পূণিতা বৈষ্ণৱ প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকল উপস্থিত থাকে। দুপৰীয়া ছাত্ৰ-ছাত্ৰীক লঘু আহাৰ বিতৰণৰ পিছত বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সঞ্চালক মনোজ দিহিঙীয়াই দুটামান আধুনিক গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে আৰু আবেলিলৈ অনুষ্ঠানৰ সামৰণি পৰে।

## কানৈ মহাবিদ্যালয়ত সাংবাদিক-সাহিত্যিকক সম্বৰ্ধনা



**ডিব্ৰুগড়, ১৬ আগষ্টঃ** বিগত বৰ্ষৰ দৰে এইবাৰো অতি উলহ-মালহেৰে কানৈ মহাবিদ্যালয়ত ৭৭ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। এইবাৰো বিগত বৰ্ষৰ দৰে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সম্বৰ্ধনা সমিতিৰ উদ্যোগত সমাজৰ বিভিন্ন দিশত বৰঙণি আগবঢ়োৱা বিশিষ্ট শিক্ষাসংগঠক, সাংবাদিক, সাহিত্যিক, সাংস্কৃতিক আৰু সমাজকৰ্মীসকলক স্বাধীনতা দিৱস উপলক্ষে সম্বৰ্ধনা জনোৱা হয়। ডিব্ৰুগড়ৰ বিশিষ্ট শিক্ষাসংগঠক প্ৰণৱ মাজ্ৰাৱী, বিকাশ গগৈক 'শিক্ষাসংগঠক' সন্মান প্ৰদান কৰা হয়। দৈনিক জনমভূমি কাকতৰ লাহোৱালৰ সাংবাদিক তথা কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ যাদৱ গগৈ, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা 'দ্য টাইমছ অৱ ইণ্ডিয়া'ৰ ডিব্ৰুগড়ৰ প্ৰতিনিধি, বিশিষ্ট সাংবাদিক ৰাজীৱ দত্ত, জনপ্ৰিয় হিন্দী কাকত দৈনিক পূৰ্বাঞ্চল প্ৰহৰীৰ ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক ললিত শৰ্মা, সাহিত্যিক, কবি মামণি শৰ্মা, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, বিশিষ্ট লেখক ভূষণজ্যোতি সন্দিকৈক সম্বৰ্ধনা জনোৱা হয়। জনপ্ৰিয় যুৱ শিল্পী তথা প্ৰাক্তন কানৈয়ান নিতুল দাধৰা, ঝুমুৰ গীতৰ বিশিষ্ট গায়ক প্ৰদীপ কৰ্মকাৰ, বিশিষ্ট শিল্পী তথা প্ৰাক্তন কানৈয়ান চন্দন পাঠকৰ লগতে কণ কণ শিশুৰ বাবে সাংস্কৃতিক দিশত আগবঢ়োৱা অৱদানৰ বাবে শিল্পী ৰবী গগৈ সন্দিকৈক সম্বৰ্ধনা জনোৱা হয়। সুদীৰ্ঘ ২৫ টা বৰ্ষ অৰ্থাৎ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা অধ্যাপক-অধ্যাপিকা ক্ৰমে— ড০ অনুপজ্যোতি ভৰালী, ড০ অনন্ত কুমাৰ দত্ত, বিদ্যুৎ বিকাশ গগৈ, ৰমাকান্তি দাস, কল্যাণী দাস আৰু ড০ মৰমী তালুকদাৰক সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়খনক এক সুন্দৰ, দৃষ্টিনন্দন কৰি ৰখাত পুৱা-গধূলি একাকাৰ কৰি পৰিশ্ৰম কৰা কানৈ গ্ৰীণক্লাবৰ সকলো সদস্য-সদস্যাক সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়খন উত্তৰণৰ বাবে অহৰহ অৱিহণা যোগোৱা অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ প্ৰাক্তন সমন্বয়ক ড০ মৃদুল শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। কানৈ মহাবিদ্যালয়ৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে 'বাৰ্তা প্ৰৱাহিকা' সন্মান প্ৰদান কৰা হয়। কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন অনুষ্ঠান, কানৈ মহাবিদ্যালয়ৰ সফলতাৰ খবৰ বিভিন্ন সামাজিক মাধ্যমত নিৰবচ্ছিন্নভাৱে প্ৰচাৰ কৰাৰ বাবে আজিৰ এই পৱিত্ৰ অনুষ্ঠানটোত অধ্যাপিকা ড০ নিৰ্মালী পেগুক 'বাৰ্তা প্ৰৱাহিকা' উপাধিৰে সন্মানীত কৰা হয়। এনে সন্মানৰ যোগ্য বিবেচনা কৰাৰ বাবে ড০ নিৰ্মালী পেগুৱে মহাবিদ্যালয়খনৰ সকলোৰে সন্মানীয়, সাহিত্যিক, কৰ্মসূৰ্য, অসম গৌৰৱ, দীনবন্ধু আদি সন্মানেৰে বিভূষিত অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ লগতে ৭৭ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন সমিতি, উপাধ্যক্ষ, জ্যেষ্ঠ, কণিষ্ঠ অধ্যাপক-অধ্যাপিকা, সহকৰ্মী, কৰ্মচাৰী তথা কানৈ মহাবিদ্যালয়ৰ পৰিয়াললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে ৭৭ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি 'মোৰ দেশ মোৰ মাটি' শীৰ্ষক বাৰ্তা প্ৰেৰণৰ উদ্দেশ্যে কানৈ মহাবিদ্যালয় চৌহদত এক বৃক্ষৰোপণ কাৰ্যসূচীও গ্ৰহণ কৰে।

## ...ৰ্ষক বিশ্বৰ এখন ...ড়ি তুলিবলৈ সক... ...চিত ঃ শিক্ষামন্ত্ৰী

...৭ চনত মহোৎসৱ। স্বাধীনতাৰ অমৃত কালত
...০ বছৰ ভাৰতবৰ্ষই পৰাধীনতা আৰু দাসত্ব সকলো
...তিমধ্যে গ্লানি, সকলো মানসিকতাৰ পৰা মুক্ত কৰি
... অমৃত ভাৰতবৰ্ষক বিশ্বৰ এখন শ্ৰেষ্ঠ ৰাষ্ট্ৰ হিচাপে

## ...৪ত হ'ব লোকসভা...

## ...াহৰ ৰাষ্ট্ৰ...

